**NSD News Unit**
Akashvani, Guwahati
0000000000

**Date : 27-03-2026** **Time : 1910 Hrs**

***Assamese Evening Bulletin***

---------------------------

***Headlines***

১। পশ্চিম এছিয়াৰ যুদ্ধ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসমূহৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্যমন্ত্ৰীসকলৰ সৈতে বৈঠকত মিলিত হৈছে।

২। প্ৰতিৰক্ষা মন্ত্ৰালয়ে আজি তাঙুস্কা বায়ু প্ৰতিৰক্ষা ক্ষেপনাস্ত্ৰ ক্ৰয় আৰু পি-এইট আই শ্ৰেণীৰ দীৰ্ঘদূৰত্ব সামুদ্ৰিক বিমান নিৰীক্ষণ বাবে ৮৫৮ কোটি টকাৰ এখন চুক্তিত স্বাক্ষৰ কৰে।

৩। বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমলৈ আহিব।

৪। মুখ্য ন্যায়াধীশ ড০ সূৰ্য কান্ত আজি চাৰিদিনীয়া লাডাখ ভ্ৰমণসূচীৰে লেহত উপস্থিত হয়।

আৰু

৫। কাইলৈৰ পৰা আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি সন্ধিয়া ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হৈছে। পশ্চিম এছিয়াৰ যুদ্ধ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশত উদ্ভৱ হোৱা ইন্ধন, তেল আৰু ৰন্ধন গেছৰ নাটনি সন্দৰ্ভত এই বৈঠকত বিতংভাৱে আলোচনা কৰা হয়। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অনুষ্ঠিত এই বৈঠকত ৰাজ্যসমূহৰ অনাগত দিনৰ প্ৰস্তুতি আৰু পৰিকল্পনা সন্দৰ্ভত আলোচনা কৰা হয়। চৰকাৰী সূত্ৰই জনোৱা মতে এই বৈঠকত টীম ইণ্ডিয়া হিচাপে সহযোগিতাৰে সকলোৱে কাম কৰাত গুৰুত্ব দিয়া হয়। অৱশ্যে অসমকে ধৰি নিৰ্বাচন হ'বলগীয়া পাঁচখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকল নিৰ্বাচনী অধিসূচনা জাৰি হৈ থকাৰ বাবে বৈঠকখনত উপস্থিত নাথাকিল। ইয়াৰ পৰিৱৰ্তে এই পাঁচখন ৰাজ্যৰ মুখ্য সচিবসকলে বৈঠকত প্ৰতিনিধিত্ব কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিম এছিয়াৰ সংঘাত আৰু ভাৰতৰ স্থিতি সন্দৰ্ভত সংসদৰ দুয়োখন সদনত বক্তব্য আগবঢ়াইছিল। শ্ৰীমোদীয়ে কৈছিল যে চৰকাৰে পেট্ৰ'ল-ডিজেল, ৰন্ধন গেছ আৰু সাৰৰ নিয়মীয়া যোগান নিশ্চিত কৰাৰ বাবে কাম কৰি আছে।

ইফলে, পশ্চিম এছিয়াৰ সংকটৰ মাজত সমগ্ৰ বিশ্বত ইন্ধনৰ যোগান হ্ৰাস তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দাম বৃদ্ধি পোৱাৰ সময়তে চৰকাৰে ইন্ধনৰ ওপৰত আবকাৰী শুল্ক হ্ৰাস কৰাৰ বাবে সিদ্ধান্ত লৈছে। উল্লেখযোগ্য যে, কেন্দ্ৰীয় চৰকাৰে পেট্ৰ'ল আৰু ডিজেলৰ আৱকাৰী শুল্ক প্ৰতি লিটাৰত ১০ টকাকৈ হ্ৰাস কৰিছে। ইয়াৰ ফলত প্ৰতি লিটাৰ পেট্ৰ'লৰ শুল্ক হ্ৰাস পাই পূৰ্বৰ ১৩ টকাৰ পৰা ৩ টকা আৰু ডিজেলৰ আৱকাৰী শুল্ক শূণ্য হৈছে। এই সিদ্ধান্তক ইতিবাচক পদক্ষেপ বুলি অভিহিত কৰাৰ লগতে অভূতপূৰ্ব বুলিও কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে।

আনহাতে, সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কয়, যে বিভিন্ন দেশে সম্প্ৰতি পেট্ৰ'ল আৰু ডিজেলৰ দাম বৃদ্ধি কৰাৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰৰ আবকাৰী শুল্ক হ্ৰাসৰ সিদ্ধান্তই জনসাধাৰণকেন্দ্ৰিক সু-শাসন ব্যৱস্থা আৰু সংবেদনশীলতাৰে সিদ্ধান্ত গ্ৰহণকে প্ৰতিফলিত কৰে।

০০০০০০০

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰালয়ে আজি তাঙুস্কা বায়ু প্ৰতিৰক্ষা ক্ষেপনাস্ত্ৰ ক্ৰয় আৰু পি-এইট আই শ্ৰেণীৰ দীৰ্ঘদূৰত্ব সামুদ্ৰিক বিমান নিৰীক্ষণ বাবে ৮৫৮ কোটি টকাৰ এখন চুক্তিত স্বাক্ষৰ কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙৰ উপস্থিতিত ৪৪৫ কোটি টকা মূল্যৰ তাঙুস্কা বায়ু প্ৰতিৰক্ষা ক্ষেপনাস্ত্ৰ ক্ৰয়ৰ বাবে ৰাছিয়াৰ এটা প্ৰতিষ্ঠানৰ সৈতে চুক্তি স্বাক্ষৰ হয়। মন্ত্ৰালয়ে জনোৱা মতে এই অত্যাধুনিক ক্ষেপনাস্ত্ৰসমূহে ড্ৰোণ আৰু ক্ৰুজ ক্ষেপনাস্ত্ৰকে ধৰি আকাশীপথৰ পৰা আহিব পৰা যিকোনো ভাবুকিৰ বিৰুদ্ধে দেশৰ বহুস্তৰীয় প্ৰতিৰক্ষা ক্ষমতা বৃদ্ধি কৰিব। এই চুক্তিয়ে ভাৰত আৰু ৰাছিয়াৰ মাজৰ কৌশলগত প্ৰতিৰক্ষা অংশীদাৰিত্ব আৰু অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। আনহাতে, ভাৰতীয় নৌসেনাৰ বাবে ১০০ শতাংশ থলুৱা প্ৰযুক্তিৰে নিৰ্মাণ কৰা পি-এইট শ্ৰেণীৰ দীৰ্ঘদূৰত্বৰ সামুদ্ৰিক অনুসন্ধান বিমান পৰিদৰ্শনৰ চুক্তি ব'য়িং ইণ্ডিয়া ডিফেন্স প্ৰাইভেট লিমিটেডৰ সৈতে স্বাক্ষৰিত হয়। ভাৰতীয় নৌসেনাক অধিক শক্তিশালী কৰাৰ বাবে ৪১৩ কোটি টকা ব্যয়সাপেক্ষে এই চুক্তিত স্বাক্ষৰ কৰা হৈছে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত আজি প্ৰতিৰক্ষা অধিগ্ৰহণ পৰিষদে দেশৰ প্ৰতিৰক্ষা সামৰ্থ্য বৃদ্ধিৰ বাবে ২ লাখ ৩৮ হাজাৰ কোটি টকাৰ বিশেষ প্ৰস্তাৱ গ্ৰহণ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে ভাৰতীয় সেনাৰ বায়ু প্ৰতিৰক্ষা **নিৰীক্ষণ** পদ্ধতি, উচ্চ ক্ষমতাসম্পন্ন অনাতাঁৰ ব্যৱস্থাকে ধৰি কেইবাটাও ক্ষেত্ৰত প্ৰতিৰক্ষা ব্যৱস্থা উন্নত কৰাৰ বাবে এই অনুমোদন প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে বায়ু প্ৰতিৰক্ষা নিৰীক্ষণ পদ্ধতিয়ে নিৰ্দিষ্ট সময়ত সুক্ষ্মাতিসুক্ষ্ম তথ্য যোগান ধৰাৰ লগতে প্ৰতিৰক্ষা ব্যৱস্থাক অধিক শক্তিশালী কৰিব। মন্ত্ৰালয়ে জনোৱা মতে এই প্ৰকল্পসমূহে ভাৰতক জল, স্থল আৰু সামুদ্ৰিক ক্ষেত্ৰত অধিক শক্তিশালী কৰি তুলিব। উল্লেখযোগ্য যে ২০২৫-২৬ বিত্তীয় বৰ্ষত প্ৰতিৰক্ষা অধিগ্ৰহণ পৰিষদে মুঠ ৬ লাখ ৭৩ হাজাৰ কোটি টকাৰ ৫৫টা প্ৰস্তাৱত অনুমোদন জনাইছে। চলিত বিত্তীয় বৰ্ষত ২ লাখ ২৮ হাজাৰ কোটি টকাৰ ৫০৩টা প্ৰস্তাৱৰ বাবে মূলধনী ক্ৰয়ৰ চুক্তি ইতিমধ্যে স্বাক্ষৰিত হৈছে।

০০০০০

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমলৈ আহিব। গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ আৰু পৰহিলৈ ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ চলাব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিহপুৰীয়া সমষ্টিৰ বিজেপি প্ৰাৰ্থী ভূপেন বৰাৰ হৈ প্ৰচাৰ চলায়। তেওঁ আজি ৰঙানদী, ঢকুৱাখনা আৰু নাওবৈচা সমষ্টিৰো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ঢকুৱাখনা সমষ্টিৰ এন ডি এ প্ৰাৰ্থী নৱ কুমাৰ দলে আৰু ৰঙানদীৰ প্ৰাৰ্থী ঋষিৰাজ হাজৰিকাৰ সমৰ্থনত ড০ শৰ্মাই প্ৰচাৰ চলায়। লখিমপুৰত বিজেপি নেতাগৰাকীয়ে এটা ৰোড শ্ব'ত ভাগ লৈছে। দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শিলচৰত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। জিলাখনৰ শিলচৰ আৰু বৰখলা সমষ্টিত শ্ৰীসোণোৱালে বিজয় সংকল্প সভাত অংশ লয়।

কংগ্ৰেছ আৰু বিৰোধী মিত্ৰদলসমূহৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলাই আছে। কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই পৰহিলৈ লখিমপুৰত প্ৰচাৰ অভিযান চলাব। দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে আজি মাহমৰা সমষ্টিত বিৰোধী ঐক্যৰ প্ৰাৰ্থী জ্ঞানদীপ মোহনৰ হৈ প্ৰচাৰ কাৰ্য্যসূচীত অংশ লয়। দলৰ নেতা ৰিপুণ বৰাই শোণিতপুৰ জিলাৰ জীয়াগাভৰুত নিৰ্বাচনী কাৰ্য্যালয় উদ্বোধন কৰাৰ লগতে প্ৰচাৰ কাৰ্য্যসূচীতো অংশ লয়।

০০০০

দেশৰ মুখ্য ন্যায়াধীশ ড০ সূৰ্য কান্ত আজি চাৰিদিনীয়া লাডাখ ভ্ৰমণসূচীৰে লেহত উপস্থিত হয়। লেহ বিমান বন্দৰত লাডাখৰ পৰম্পৰাগত পদ্ধতিৰে তেওঁক আদৰণি জনোৱা হয়। এই ভ্ৰমণৰ সময়ছোৱাত মুখ্য ন্যায়াধীশগৰাকীয়ে লেহ আৰু কাৰ্গিলত নতুনকৈ নিৰ্মাণ কৰা জিলা আদালতৰ ভৱন উদ্বোধন কৰিব। এই আদালত ভৱনত ন্যায়াধীশ আৰু আদালতৰ কৰ্মচাৰীসকলৰ বাবে আৱাসিক গৃহ নিৰ্মাণ কৰা হৈছে। তদুপৰি লেহ আৰু কাৰ্গিলৰ দূৰণিবটীয়া লোকসকলৰ সুবিধা হোৱাকৈও নতুন আদালত চৌহদ নিৰ্মাণ কৰা হৈছে। এই ভ্ৰমণ কালতে মুখ্য ন্যায়াধীশ সূৰ্য কান্তে লেহত থকা ভাৰতীয় সেনাৰ ১৪ নম্বৰ ক'ৰৰ জোৱানসকলক সম্বোধন কৰিব।

০০০০০০০

দেশত পুনৰ লকডাউন সদৃশ পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সামাজিক মাধ্যমত সম্প্ৰচাৰ হৈ থকা ভিডিঅ'টো ভুৱা বুলি প্ৰেছ ইনফৰমেশ্যন ব্যুৰোই নিশ্চিত কৰিছে। উল্লেখযোগ্য যে সামাজিক মাধ্যমত সম্প্ৰচাৰিত হৈ থকা প্ৰধানমন্ত্ৰীৰ ভিডিঅ'টোত উল্লেখ কৰা হৈছিল যে দেশলৈ পুনৰ এটা ডাঙৰ সংকট আহি আছে যাৰ ফলত কৰোনা সময়ৰ পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। এই সন্দৰ্ভত প্ৰেছ ইনফৰমেশ্যন ব্যুৰোৱে ভিডিঅ'টোৰ সত্যাসত্যতা নিৰূপণ কৰি এই ভিডিঅ'টোক ভুৱা আখ্যা দিয়াৰ লগতে কয় যে প্ৰধানমন্ত্ৰী বা কেন্দ্ৰীয় চৰকাৰে একো কোনো ঘোষণা কৰা নাই। লগতে দেশৰ নাগৰিকক এনে বাতৰিক বিশ্বাস নকৰি কেৱল চৰকাৰী তথ্যৰ ওপৰত ভৰসা কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

কাইলৈৰ পৰা আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কাইলৈ সন্ধিয়া চাৰে সাত বজাত বাংগালুৰুত হ'বলগীয়া প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু - চানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি হ'ব। উল্লেখযোগ্য যে বি চি চি আইয়ে কালি প্ৰতিযোগিতাখনৰ সম্পূৰ্ণ সূচী ঘোষণা কৰে।

বি চি চি আয়ে ২০২৬ বৰ্ষৰ আই পি এলৰ দ্বিতীয় পৰ্যায়ৰ সূচী জাৰি কৰিছে।

০০০০০০০

**সমাপ্ত**